# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 05-10-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি এদিনীয়া কাৰ্যসূচীৰে মহাৰাষ্ট্ৰলৈ যাব। এই সময়ছোৱাত প্ৰধানমন্ত্ৰীয়ে ২৩ হাজাৰ ৩০০ কোটি ব্যয় সাপেক্ষ কৃষি তথা পশুপালন ক্ষেত্ৰৰ বিভিন্ন কাৰ্যসূচী মুকলি কৰিব।

২। বিদেশ পৰিক্ৰমা মন্ত্ৰী ডঃ এছ্ জয়শংকৰে অহা ১৫ আৰু ১৬ অক্টোবৰত ইছলামাবাদত হ'বলগীয়া ছাংহাই সহযোগিতা সংস্থা এছ্ চি অ' সন্মিলনত ভাগ লোৱাৰ বাবে ইছলামাবাদলৈ যাব।

৩। হাৰিয়ানা বিধানসভাৰ ৯০টা সমষ্টিৰ বাবে আজি ভোটগ্ৰহণ অনুষ্ঠিত হৈছে।

৪। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা কিছুদিনলৈ উত্তৰ-পূব আৰু দেশৰ দক্ষিণ অংশত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হ'ব বুলি প্ৰকাশ কৰিছে।

*আৰু*

৫। ডুবাইত কালি ভাৰত আৰু নিউজিলেণ্ডৰ মাজত অনুষ্ঠিত টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ভাৰত নিউজিলেণ্ডৰ হাতত ৫৮ ৰানত পৰাস্ত হয়।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি এদিনীয়া কাৰ্যসূচীৰে মহাৰাষ্ট্ৰলৈ যাব। এই সময়ছোৱাত প্ৰধানমন্ত্ৰীয়ে ২৩ হাজাৰ ৩০০ কোটি ব্যয় সাপেক্ষ কৃষি তথা পশুপালন ক্ষেত্ৰৰ বিভিন্ন কাৰ্যসূচী মুকলি কৰিব। তেওঁ বানঝাৰা সম্প্ৰদায়ৰ ঐতিহ্যমণ্ডিত বানঝাৰা বিৰাছত সংগ্ৰহালটো মুকলি কৰিব। ইয়াৰ পাছতেই প্ৰধানমন্ত্ৰীয়ে থানেত ৩২ হাজাৰ ৮০০ কোটি ব্যয় সাপেক্ষ বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব।

মহাৰাষ্ট্ৰৰ ৱাছিম জিলাত শ্ৰীমোদীয়ে প্ৰধানমন্ত্ৰী কিষান সন্মান নিধি আঁচনিৰ ১৮ সংখ্যক কিস্তিৰ ধন মুকলি কৰি দিব। এই আঁচনিৰ জৰিয়তে দেশৰ ৯ কোটি ৪ লাখ খেতিয়কে ২০ হাজাৰ কোটিকৈও অধিক টকাৰ পোনপটীয়া বিত্তীয় লাভ পাব। এই অনুষ্ঠানতেই তেওঁ মহাৰাষ্ট্ৰৰ খেতিয়কৰ বাবে নমো ছেটকাৰী মহাসন্মান নিধি আঁচনিৰ পঞ্চম কিস্তিৰ ২ হাজাৰ কোটি টকাৰ অতিৰিক্ত লাভ মুকলি কৰি দিব।

শ্ৰীমোদীয়ে এহেজাৰ ৯২০ কোটি টকা ব্যয় সাপেক্ষ কৃষি আন্তঃগাঁথনিমূলক পুঁজিৰ ৭ হাজাৰ ৫০০ টাতকৈও অধিক প্ৰকল্প ৰাষ্ট্ৰৰ বাবে উৎসৰ্গা কৰিব।

থানেত শ্ৰীমোদীয়ে মেট্ৰ' আৰু পথ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন অনুষ্ঠানত ভাগ ল'ব। প্ৰায় ১৪ হাজাৰ ১২০ কোটি টকাৰে নিৰ্মিত বি কে চিৰ পৰা মুম্বাই মেট্ৰ' লাইন থ্ৰীৰ আৰে জে ভি এল আৰ ষ্টেচনলৈ চলিবলগীয়া মেট্ৰ' ৰে'লখন বি কে চি মেট্ৰ' ষ্টেচনৰ পৰা ফ্লেগ অফ্ কৰিব। মেট্ৰ' লাইন থ্ৰী হৈছে মুম্বাই মহানগৰ আৰু

ইয়াৰ কাষৰীয়া অঞ্চলৰ মানুহৰ যাতায়তৰ মূল পথ আৰু ই অঞ্চলটোৰ জনসাধাৰণৰ যাতায়াতত সুবিধা আগবঢ়াব। এই মেট্ৰ' লাইন থ্ৰীয়ে প্ৰতিদিনে প্ৰায় ১২ লাখ যাত্ৰীৰ যাতায়াত সম্ভৱ কৰি তুলিব বুলি আশা কৰা হৈছে।

শ্ৰীমোদীয়ে ১২ হাজাৰ ২০০ কোটি টকা ব্যয় সাপেক্ষ থানে ইণ্টিগ্ৰেল ৰে'ল প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এই ৰে'ল লাইনটোৰ মূল দৈৰ্ঘ্য ২৯ কিলোমিটাৰ আৰু ইয়াত ২০টা উচ্চ আৰু দুটা মাটিৰ তলত ষ্টেচন আছে। এই অভিলাষী আন্তঃগাঁথনি প্ৰকল্পটো, মহাৰাষ্ট্ৰৰ অন্যতম প্ৰধান উদ্যোগীক আৰু বাণিজ্যিক কেন্দ্ৰ থানেৰ ক্ৰমবৰ্ধমান পৰিবহণৰ প্ৰয়োজনীয়তা পূৰণৰ বাবে গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে পৰিগণিত হ'ব।

ইয়াৰ উপৰিও প্ৰধানমন্ত্ৰীয়ে এলিভেটেড ইষ্টাৰ্ণ ফ্ৰীৱেৰ আধাৰশিলা স্থাপন কৰিব। প্ৰায় ৩ হাজাৰ ৩১০ কোটি টকা ব্যয় সাপেক্ষ এই প্ৰকল্প থানেৰ ছেদা নগৰৰ পৰা আনন্দ নগৰলৈ সম্প্ৰসাৰিত হ'ব। এই প্ৰকল্পই দক্ষিণ মুম্বাইৰ পৰা থানেলৈ সংযোগ প্ৰদান কৰিব। তদুপৰি প্ৰায় দুহেজাৰ ৫৫০ কোটি টকাৰ নবী মুম্বাই বিমান বন্দৰ প্ৰভাৱ অধিসূচিত এলেকাৰ প্ৰকল্পৰ প্ৰথম পৰ্যায়ৰ আধাৰশিলা স্থাপন কৰিব। ইয়াৰ উপৰি শ্ৰীমোদীয়ে প্ৰায় ৭০০ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে থানে পৌৰ নিগমৰ আধাৰশিলাও স্থাপন কৰিব।

০০০০০

বিদেশ পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে অহা ১৫ আৰু ১৬ অক্টোবৰত ইছলামাবাদত হ'বলগীয়া ছাংহাই সহযোগতিা সংস্থা এছ্ চি অ' সন্মিলনত ভাগ লোৱাৰ বাবে ইছলামাবাদলৈ যাব। বিদেশ পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কালি বিয়লি দিল্লীত সংবাদ মাধ্যমৰ আগত এইকথা নিশ্চিত কৰে। জাকীৰ নায়কৰ পাকিস্তান ভ্ৰমণ সন্দৰ্ভত মুখপাত্ৰগৰাকীয়ে কয় যে, ভাৰতীয় ন্যায় ব্যৱস্থাৰ পৰা পলায়ন কৰা এজন লোকক পাকিস্তানে আদৰি লোৱা কাৰ্যত ভাৰত আচৰিত হোৱা নাই। তেওঁ এই আচৰণক গৰিহণাযোগ্য তথা হতাশাজনক আখ্যা দিয়ে।

০০০০০

হাৰিয়ানা বিধানসভাৰ ৯০টা সমষ্টিৰ বাবে আজি ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। কিছু সময় আগতে আৰম্ভ হোৱা এই ভোটগ্ৰহণ সন্ধিয়া ৬ বজাত অন্ত পৰিব। এটা পৰ্যায়ত অনুষ্ঠিত এই নিৰ্বাচনত ২ কোটি ৩ লাখ ভোটাৰে এহেজাৰ ৩১ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। সমগ্ৰ ৰাজ্যতে ২০ হাজাৰ ৬৩২টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। হাৰিয়ানাৰ মুখ্য নিৰ্বাচনী বিষয়া পংকজ আগৰৱালাই কৈছে যে, ভোটগ্ৰহণ মুক্ত, স্বচ্ছ আৰু নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে পৰ্যাপ্ত নিৰাপত্তাৰ লগতে ৱেব কাষ্টিঙৰো ব্যৱস্থা কৰা হৈছে। তেওঁ কয় যে, যদিহে কোনো ভোটাৰৰ ভোটাৰ তালিকাত নাম নাই আৰু তেওঁৰ হাতত ভোটাৰ পৰিচয় পত্ৰও নাই তেন্তে নিৰ্বাচন আয়োগৰ নিৰ্দেশনাত উল্লেখ থকা ১২ বিধ বিকল্প পৰিচয় পত্ৰৰ যিকোনো এখন দেখুৱাই ভোটদান কৰিব পাৰিব। এই পৰিচয় পত্ৰবোৰৰ ভিতৰত আধাৰ কাৰ্ড, এমএনৰেগা জব কাৰ্ড, ড্ৰাইভিং লাইচেন্স, পান কাৰ্ড আৰু ভাৰতীয় পাছপ'ৰ্টও আছে।

০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা কিছুদিনলৈ উত্তৰ-পূব আৰু দেশৰ দক্ষিণ অংশত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হ'ব বুলি প্ৰকাশ কৰিছে। বতৰ বিজ্ঞান বিভাগে কৈছে যে, অহা দুই-তিনিদিনত নাগালেণ্ড, মণিপুৰ, মিজোৰাম ৰয়েলাছিমা, তামিলনাডু, পুডুচেৰী, কৰাইকল, কেৰালা, মাহে আৰু ত্ৰিপুৰাত প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা আছে।

০০০০০

মালদ্বীপৰ ৰাষ্ট্ৰপতি মহম্মদ মুইজো অহা সোমবাৰে চাৰিদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। নতুন দিল্লীত কালি সাংবাদিকৰ আগত এই প্ৰকাশ কৰি বিদেশ পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জছোৱালে কয় যে, এয়া হ'ব মুইজোৰ দ্বিপাক্ষিক ভ্ৰমণ। ইয়াৰ পূৰ্বে ৰাষ্ট্ৰপতিগৰাকীয়ে যোৱা জুন মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মন্ত্ৰীসভাৰ সদস্যসকলৰ শপতগ্ৰহণ অনুষ্ঠানত ভাগ লোৱাৰ বাবে ভাৰতলৈ আহিছিল। মুখ্যপাত্ৰগৰাকীয়ে কয় যে, এই ভ্ৰমণৰ সময়ছোৱাত মালদ্বীপৰ ৰাষ্ট্ৰপতিগৰাকী বেংগালুৰু আৰু মুম্বাইলৈ যাব।

০০০০০

কেন্দ্ৰীয় কেবিনেটে দেশৰ ৫টা ভাৰতীয় ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰাত দেশৰ শিক্ষাবিদ তথা গৱেষকসকলে প্ৰশংসা কৰিছে। কেন্দ্ৰীয় কেবিনেটে যোৱা বৃহস্পতিবাৰে অসমীয়া, বঙালী, মাৰাঠী, পালি আৰু প্ৰাকৃত ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰিছে। এই মৰ্যাদাই ভাষাসমূহৰ অধ্যয়ন আৰু সংৰক্ষণৰ প্ৰসাৰৰ ক্ষেত্ৰত চৰকাৰৰ পৰা বিভিন্ন সা-সুবিধা লাভ কৰিব।

এই সন্দৰ্ভত আকাশবাণীৰ সৈতে হোৱা কথা বতৰাত ক'লকাতা বিশ্ববিদ্যালয়ৰ বৌদ্ধ অধ্যয়ন বিভাগৰ অধ্যাপক উজ্জ্বল কুমাৰে কয় যে এই ভাষাসমূহৰ সাংস্কৃতিক ঐতিহ্য আছে আৰু কেবিনেটৰ এই সিদ্ধান্তই ভাষাসমূহৰ প্ৰচাৰত সহায় আগবঢ়াব। তেওঁ লগতে কয় যে, এই স্বীকৃতিয়ে সাহিত্যৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অধিক কৰ্মসংস্থাপনৰ সৃষ্টি কৰিব।

ইফালে, ইন্দিৰা গান্ধী নেচনেল চেণ্টাৰ ফ'ৰ আৰ্টছৰ সদস্য সম্পাদক ড° সচ্চিদানন্দ যোশীয়ে কয় যে, এই ভাষাসমূহৰ অন্তৰ্ভুক্তিৰ ঐতিহাসিক তাৎপৰ্য আছে। তেওঁ লগতে কয় যে, এই ভাষাসমূহত দেশৰ প্ৰাচীন সাহিত্যৰ স্বৰূপ দেখা যায়। ধ্ৰুপদী ভাষাৰ অন্তৰ্ভুক্তিয়ে এই ভাষাসমূহৰ অধ্যয়ন আৰু গৱেষণাত সহায় কৰিব।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত যোৱা ১০ বছৰত ৫ লাখ ৪৩ হাজাৰ ৬০০ কিলোগ্ৰামতকৈ অধিক মূল্যৰ নিচাযুক্ত সামগ্ৰী জব্দ কৰা হৈছে। গান্ধীনগৰত কালি এখন ৰাজহুৱা সভাত ভাষণ দি শ্ৰীশ্বাহে কয় যে, কেন্দ্ৰীয় চৰকাৰে যুৱ সমাজক সুৰক্ষিত কৰাৰ বাবে ভাৰতক নিচামুক্ত দেশ হিচাপে গঢ়ি তোলাৰ লক্ষ্য লৈছে আৰু এই ক্ষেত্ৰত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে গান্ধীনগৰত জনসাধাৰণ কেন্দ্ৰীক বিভিন্ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। ইয়াৰ ভিতৰত তেওঁৰ জন্মস্থান মানসাৰ চিকিৎসালয় অন্যতম।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয় যে, চৰকাৰ দেশক গোলকীয় নিৰ্মাণৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লগতে প্ৰতিৰক্ষা উদ্যোগক ৰপ্তানিমুখী কৰি তুলিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। নতুন দিল্লীত ভাৰতীয় প্ৰতিৰক্ষা নিৰ্মাণ সংস্থাসমূহৰ সমাজ - এছ্ আই ডি এমৰ সপ্তম বাৰ্ষিক সাধাৰণ সভাত ভাষণ দি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয় যে, ২০২৩-২৪ বৰ্ষত ঘৰুৱা প্ৰতিৰক্ষা উৎপাদনে ১ লাখ ২৭ হাজাৰ কোটি টকাৰ অভিলেখ সংখ্যক পৰিমাণ অতিক্ৰম কৰিছে। মন্ত্ৰীগৰাকীয়ে কৃত্ৰিম বুদ্ধিমত্তা, চাইবাৰ প্ৰতিৰক্ষা তথা স্বাধীন সংস্থাসমূহৰ লগতে শেহতীয়া প্ৰযুক্তিসমূহ ভৱিষ্যতৰ উপযোগী কৰি ৰখাৰ বাবে বিনিয়োগ বৃদ্ধিৰ আহ্বান জনায়।

০০০০০

ডুবাইত কালি ভাৰত আৰু নিউজিলেণ্ডৰ মাজত অনুষ্ঠিত টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ভাৰত নিউজিলেণ্ডৰ হাতত ৫৮ ৰানত পৰাস্ত হয়। প্ৰথমে বেট ধৰি নিউজিলেণ্ডে ৪টা উইকেটৰ বিনিময়ত নিৰ্ধাৰিত অভাৰত ১৬১ ৰানৰ লক্ষ্য বান্ধি দিয়ে। প্ৰত্যুত্তৰত ভাৰতীয় দলটোৱে ১৯ অভাৰত মাত্ৰ ১০২ ৰানহে কৰিবলৈ সক্ষম হয়। নিউজিলেণ্ডৰ হৈ ৰোজ মেৰী মেয়ৰে চাৰিটা উইকেট লয়। ছোফি ডিবাইনে সৰ্বাধিক ৩৬টা বলত ৫৭ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ ৰেণুকা সিঙে দুটা উইকেট লয়। ভাৰতে  অহা ১৩ অক্টোবৰত যোৱাবাৰৰ চেম্পিয়ন অষ্ট্ৰেলিয়াৰ মুখামুখি হ'ব। আনহাতে কাইলৈ ভাৰতে পাকিস্তানৰ বিৰুদ্ধে এখন গুৰুত্বপূৰ্ণ খেলত অৱতীৰ্ণ হ'ব। ৯ অক্টোবৰত হ'বলগীয়া খেলখনত দলটোৱে শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে, প্লে অফৰ সুযোগ উজ্জীৱিত কৰি ৰখাৰ বাবে ভাৰতে এই আটাইকেইখন খেলতে জয়লাভ কৰাৰ লগতে নেট ৰান ৰেটো বৃদ্ধি কৰিব লাগিব।

গ্ৰুপ-এৰ এখন খেলত আজি অষ্ট্ৰেলিয়া শ্ৰীলংকাৰ মুখামুখি হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন দুপৰীয়া চাৰে ৩ বজাত আৰম্ভ হ'ব। দ্বিতীয়খন খেল গ্ৰুপ-বিৰ ইংলেণ্ড আৰু বাংলাদেশৰ মাজত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। দুয়োখন খেলে শ্বাৰজাহাত অনুষ্ঠিত হ'ব।

ooooo

**সমাপ্ত**